# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-02-2025
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

:::::::::::::::::::::::::::::::::

১।	ৰাজ্যত প্ৰথমবাৰৰ বাবে বিদেশী বিনিয়োগ হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২।	দেশী-বিদেশী বিনিয়োগকাৰীসকলে অসমত বিনিয়োগ কৰিবলৈ লোৱা সিদ্ধান্তক সদৌ অসম ছাত্ৰ সন্থাৰ আদৰণি।

৩।	ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন। বিজ্ঞান বঁটাৰ বাবে বাছনিপ্ৰাপ্ত বিজ্ঞানী, উদ্ভাৱক আৰু প্ৰতিষ্ঠানসমূহলৈ শিক্ষামন্ত্ৰীৰ শুভেচ্ছা।

৪।	পৰীক্ষাত অনিয়মৰ গোচৰত গ্ৰেপ্তাৰ হোৱা ইউ এছ টি এমৰ স্বত্তাধিকাৰীৰ জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ।

*আৰু*

৫।	আই চি চি চেম্পিয়নছ ট্ৰফীত আজি গ্ৰুপ বিৰ এখন খেলত আফগানিস্তানৰ অষ্ট্ৰেলিয়াক জয়ৰ বাবে ২৭৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০

ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ দায়িত্বত থকা মন্ত্ৰী-বিষয়াসকলৰ আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণৰ ফলস্বৰূপে সদ্য সমাপ্ত দ্বিতীয় এডভান্টেজ আছামত বহুকেইখন বিদেশী ৰাষ্ট্ৰই অংশগ্ৰহণ কৰি ৰাজ্যত বিনিয়োগৰ প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি এখন সংবাদমেল সম্বোধন কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা শক্তিশালী কৰাৰ প্ৰচেষ্টাৰ অংশ হিচাপে জাপান, মালয়েছিয়া, কোৰিয়া, ছিংগাপুৰ, থাইলেণ্ড, গ্ৰেট ব্ৰিটেইন আৰু সংযুক্তি আৰব আমেৰি ৰাষ্ট্ৰকে ধৰি বিভিন্ন ৰাষ্ট্ৰৰ মুখ্য অংশীদাৰসকলৰ সৈতে ১৮০ খনতকৈও অধিক বৈঠক অনুষ্ঠিত হৈছিল। ইয়াৰ ফলশ্ৰুতিত এই শীৰ্ষ সন্মিলনত এহেজাৰ ১০০ ৰো অধিক আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিয়ে অংশ লোৱা বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যত প্ৰথমবাৰৰ বাবে বিদেশী বিনিয়োগ হৈছে বুলি উল্লেখ কৰি কয়, যে এই সন্মিলনত ৰাজ্যৰ ঔদ্যোগীক খণ্ডত ৪১০ কোটি টকা, পশুপালন খণ্ডত ৩০০ কোটি টকা আন্তৰ্জাতিক গোটে বিনিয়োগ কৰিছে।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

ডঃ শৰ্মাই কাইলৈ পৰ্যন্ত জনসাধাৰণৰ বাবে মুকলি থকা এডভান্টেজ আছামৰ প্ৰদৰ্শনীখনৰ কথা উল্লেখ কৰি কয়, যে এই প্ৰদৰ্শনীত ২০০ ৰো অধিক বিপণীৰ দ্বাৰা ৰাজ্যৰ বিকাশ আৰু উদ্ভাৱনৰ অনন্য দিশসমূহ প্ৰদৰ্শন কৰা হৈছে।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

০০০০

রাজ্যৰ অৰ্থনৈতিক উন্নয়নৰ বাবে দেশ বিদেশৰ ভিন ভিন ক্ষেত্ৰৰ বিনিয়োগকাৰীসকলে অসমত বিনিয়োগ কৰিবলৈ লোৱা সিদ্ধান্তক সদৌ অসম ছাত্ৰ সন্থাই আদৰণি জনাইছে। এডভাণ্টেজ আচাম দ্বিতীয় সংস্কৰণৰ জৰিয়তে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানে অসমৰ বিভিন্ন ক্ষেত্ৰত বিনিয়োগ কৰিবলৈ আগবাঢ়ি অহাটো ইতিবাচক খবৰ বুলি সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকে মন্তব্য কৰিছে। ৰাজ্যখনৰ উন্নয়নৰ বাবে বিনিয়োগৰ প্ৰয়োজন বুলি উল্লেখ কৰি তেওঁলোকে অসমৰো ভালেসংখ্যক বিনিয়োগকাৰী এই প্ৰক্ৰিয়াত জড়িত হৈ পৰাটো আশাৰ বতৰা বুলি কয়। এই বিনিয়োগৰ ফলত ৰাজ্যখনত সৃষ্টি হ'বলগীয়া ন-ন নিয়োগ ক্ষেত্ৰত থলুৱা যুৱক-যুৱতীৰ সংস্থাপন ৰাজ্য চৰকাৰে সুনিশ্চিত কৰিব লাগিব বুলিও ছাত্ৰ সন্থাৰ নেতৃবৰ্গই মন্তব্য কৰে। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগে কেইবাটাও বিশেষ প্ৰকল্প ঘোষণা কৰাৰ বিষয়ে উল্লেখ কৰি সদৌ অসম ছাত্ৰ সন্থাই এই সিদ্ধান্ত আৰু ঘোষণাসমূহ সঁচা অৰ্থত কাৰ্যকৰী হোৱাটো বিচাৰে বুলি প্ৰকাশ কৰে। ইতিমধ্যে স্থাপন হোৱা আৰু হ'বলগীয়া উদ্যোগসমূহত কেৱল তৃতীয়, চতুৰ্থবৰ্গৰ চাকৰিয়ে নহয় আন উচ্চ বৰ্গৰ কাৰিকৰী, অকাৰিকৰী পদতো থলুৱা যুৱক-যুৱতীক মকৰল কৰিব লাগে বুলি ছাত্ৰ সন্থাৰ নেতৃত্বই সজোৰে উল্লেখ কৰে।

০০০০

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। বিশিষ্ট পদাৰ্থবিজ্ঞানী ছাৰ চি ভি ৰমনৰ দ্বাৰা ৰমন প্ৰভাৱ বা ৰমন বিক্ষেপনৰ আৱিষ্কাৰৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। চি ভি ৰমনে এই আৱিষ্কাৰৰ বাবে ১৯৩০ চনত ন'বেল বঁটা লাভ কৰিছিল।

যোৰহাট জিলাৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান, চি এছ্ আই আৰ-নিষ্টত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে আয়োজন কৰা যুৱ বিজ্ঞান সমাৰোহত আজি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশ লয়। ডাঃ পেগুৱে তেওঁৰ ভাষণত ৰাজ্যৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহত গৱেষণা পৰিস্থিতি তন্ত্ৰ শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে চি এছ্ আই আৰৰ দৰে আগশাৰীৰ গৱেষণা প্ৰতিষ্ঠানসমূহক এই ক্ষেত্ৰত মহাবিদ্যালয়সমূহক সমৰ্থন আগবঢ়াবলৈ আহ্বান জনায়। অনুষ্ঠানত জ্যেষ্ঠ মন্ত্ৰী অতুল বৰা আৰু সাংসদ কামাখ্যা প্ৰসাদ তাচা উপস্থিত থাকে। জিলাখনৰ বাহনা মহাবিদ্যালয়ত আজি এই দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। অসম বিজ্ঞান সমিতি তিনিচুকীয়া শাখাৰ উদ্যোগত তিনিচুকীয়া জিলাৰ হাতীজান গাঁৱৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ ড০ ৰাজীৱ বৰদলৈয়ে নৱপ্ৰজন্মৰ মনত বৈজ্ঞানিক মানসিকতাৰ কেনেদৰে বিকাশ কৰিব পাৰি সেই বিষয়ত বক্তব্য আগবঢ়ায়।

বাক্সা জিলাৰ শালবাৰী মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জগত চন্দ্ৰ বসুমতাৰীকে ধৰি বিশিষ্ট ব্যক্তিসকলে বিজ্ঞান দিৱসৰ তাৎপৰ্য তথা সাম্প্ৰতিক সময়ত বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। হাটশিঙিমাৰীৰ জ্ঞানবিকাশ একাডেমীত আজি এখন বিজ্ঞান প্ৰদৰ্শনী মেলা অনুষ্ঠিত হয়। মেলাত ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞানৰ সৈতে জড়িত বিভিন্ন সামগ্ৰী প্ৰদৰ্শন কৰে। বড়োলেণ্ড বিশ্ববিদ্যালয়তো আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ ষোড়শ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা অনুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰমোদ বড়ো মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

শ্ৰীভূমি জিলাৰ কেন্দ্ৰীয় বিদ্যালয়ত এই উপলক্ষে আয়োজন কৰা কাৰ্যসূচীত দৈনন্দিন জীৱনত বিজ্ঞানৰ তাৎপৰ্যক লৈ এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। গোৱালপাৰা জিলাৰ অসম বিজ্ঞান সমিতিৰ লক্ষীপুৰ শাখাই হীৰাপাৰা প্ৰাথমিক বিদ্যালয়ত আজি দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰে। জিলাখনৰ ডোপতলাৰ এফ আৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই উপলক্ষে আয়োজিত আলোচনা সভাত ছাত্ৰ-ছাত্ৰীসকলক অন্ধবিশ্বাস তথা কু-সংস্কাৰৰ পৰা নিজকে মুক্ত কৰি বিজ্ঞান চৰ্চা কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হয়।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ২০২৪ আৰু ২০২৫ বৰ্ষৰ ৰাজ্যিক বিজ্ঞান বঁটাৰ বাবে বাছনিপ্ৰাপ্ত বিজ্ঞানী, যুৱ বিজ্ঞানী, উদ্ভাৱক আৰু প্ৰতিষ্ঠানসমূহলৈ অভিনন্দন জনায়। শিক্ষামন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাত কয়, যে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ দ্বাৰা প্ৰদান কৰা এই সন্মানে বিজ্ঞান আৰু প্ৰযুক্তি ক্ষেত্ৰলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱাৰ বাবে বিশিষ্ট বিজ্ঞানী, উদ্ভাৱক তথা অন্যান্য সংস্থা আৰু প্ৰতিষ্ঠানসমূহক অনুপ্ৰাণিত কৰিব।০

০০০০

পৰীক্ষাত অনিয়ম সন্দৰ্ভত শ্ৰীভূমি জিলাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ইউ এছ টি এমৰ স্বত্তাধিকাৰী মেহবুবুল হকে জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠত আজি মেহবুবুল হকৰ জামিন সন্দৰ্ভত শুনানি অনুষ্ঠিত হয়। অভিযুক্ত হকৰ হৈ অধিবক্তাই জামিন প্ৰদানৰ সপক্ষে যুক্তি আগবঢ়োৱাৰ বিপৰীতে ৰাজ্য চৰকাৰৰ প্ৰতিনিধিত্ব কৰা লোক অধিবক্তাই জামিনৰ তীব্ৰ বিৰোধিতা কৰে। আদালতে পাছত মেহবুবুল হকৰ জামিন আবেদনখন অহা ৩ মাৰ্চত নিষ্পত্তি কৰাৰ কথা গোষণা কৰে। শ্ৰীভূমি জিলাৰ পৰা হকক গুৱাহাটীলৈ অনা হয় আৰু আৰক্ষীয়ে গোচৰ সংক্ৰান্তত তেওঁক দিশপুৰ থানাত সোধা পোচা কৰে। উপ আৰক্ষী আয়ুক্ত মৃনাল ডেকাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে অভিযুক্ত হকক লগত লৈ তেওঁৰ ঘোঁৰামাৰাৰ বাসগৃহত অভিযান চলায়। এই অভিযানত উদ্ধাৰ হোৱা তথ্য সন্দৰ্ভত এতিয়াও জানিব পৰা হোৱা নাই বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০

মানকাচৰত টেংনামাৰী হাজিৰহাট সংযোগী পথটো পুনৰ নিৰ্মাণৰ কাম আজি আনুষ্ঠানকভাৱে উদ্বোধন কৰা হয়। বিগত ২০ বছৰ ধৰি বিধস্ত হৈ থকা এই পথটো পুনৰ নিৰ্মাণৰ বাবে লোক নিৰ্মাণ বিভাগৰ অধীনত মুখ্যমন্ত্ৰী উন্নত পকী পথ আঁচনিৰ পৰা প্ৰায় ৪ কোটি ৭৫ লাখ টকা আৱণ্টন দিয়া হৈছে। হাটশিঙিমাৰীৰ জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাৰ উপস্থিতিত মানকাচৰৰ বিধায়ক আমিনুল ইছলামে পথ নিৰ্মাণৰ কাম আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই পথটো পুনৰ নিৰ্মাণ হৈ উঠিলে প্ৰায় ৪০ খন ৰাজহ গাঁৱৰ জনসাধৰণ যাতায়তৰ ক্ষেত্ৰত উপকৃত হ'ব।

০০০০

চৰাইদেউ জিলাত বিশেষভাৱে সক্ষম শিশুসকলৰ মাজত আজি বিভিন্ন ধৰণৰ সাহায্য সজুলি বিতৰণ কৰা হয়। সমগ্ৰ শিক্ষা অভিযান চৰাইদেউৰ অধীনত সাপেখাটী আৰু সোণাৰী শিক্ষাখণ্ডৰ অন্তৰ্গত অঞ্চলৰ শিশুসকলক পাৰ্বত্য অঞ্চল উন্নয়ন তথা পৰিবহন আদি বিভাগৰ মন্ত্ৰী যোগেন মহনে এই সা-সজুলিসমূহ বিতৰণৰ কাৰ্যসূচী শুভাৰম্ভ কৰে। অনুষ্ঠানত সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, চৰাইদেউৰ জিলা আয়ুক্ত ডাঃ নেহা যাদৱ, মাহমৰা সমজিলা আয়ুক্ত পলাশ ৰাজকুমাৰ আহোমকে ধৰি কেইবাগৰাকী গণ্য মান্য ব্যক্তি উপস্থিত থাকে। সমগ্ৰ শিক্ষাই এলিমকোৰ পৰা লাভ কৰা এই সাহায্য সজুলিসমূহ জিলাখনৰ মুঠ ১০৫

গৰাকী হিতাধিকাৰীৰ মাজত বিতৰণ কৰা হ'ব। আজিৰ কাৰ্যসূচীত ৯ গৰাকী শিশুৰ মাজত আনুষ্ঠানিকভাৱে এই সজুলিসমূহ বিতৰণ কৰা হয়। বাকীসকলক শিক্ষা খণ্ড পৰ্যায়ত সজুলিসমূহ প্ৰদান কৰা হ'ব। সাহায্য সজুলিসমূহৰ মাজত প্ৰধানকৈ হুইল ছেয়াৰ, ৰ'লেটৰ, অগ্‌জিলেৰী ক্ৰাষ্ট, ব্ৰেইলী কিট্, এ.ডি.এল কিট আৰু স্মাৰ্ট কিং আদি আছে।

০০০০

কাৰ্বি আংলং জিলাৰ প্ৰতিষ্ঠাপক চেমচন সিং ইংতিক আজি তেওঁৰ ৭৭ সংখ্যক মৃত্যু বাৰ্ষিকীত জিলাখনৰ বিভিন্ন প্ৰান্তত স্মৰণ কৰা হয়। এই উপলক্ষে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত ডিফুত থকা পুৰণি চেমচন সিং ইংতি স্মৃতি উদ্যানত মৃত্যু বাৰ্ষিকী পালন কৰা হয়। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে প্ৰয়াত চেনচন সিং ইংতিৰ  প্ৰতিমুৰ্তিত পুস্পমাল্য অৰ্পন কৰি শ্ৰদ্ধা নিবেদন কৰে। ১৯১০ চনৰ ১৮ ফেব্ৰুৱাৰীত পশ্চিম কাৰ্বি আংলঙত জন্মগ্ৰহণ কৰা ইংতিয়ে তেতিয়াৰ অসমৰ ৰাজ্যপাল ছাৰ ৰবাৰ্ড নীল ৰিড আৰু ছাৰ এন্ড্ৰিঅ' ক্ল ছাহাবক ৩ বাৰ পৃথকে পৃথকে স্মাৰকপত্ৰ দাখিল কৰি কাৰ্বি আংলং জিলা গঠনৰ পথ প্ৰশস্ত কৰিছিল বুলি শ্ৰীৰংহাঙে উল্লেখ কৰে। ১৯৪৮ চনৰ ২৮ ফেব্ৰুৱাৰীত কেৱল ৩৮ বছৰ বয়সত  তেওঁৰ মৃত্যু হৈছিল। অনুষ্ঠানত পদ্মশ্ৰী সন্মানেৰে সন্মানিত ধনেশ্বৰ ইংতিয়ে জননায়ক চেমচন সিং ইংতিৰ জীৱন আৰু কৰ্ম সম্পৰ্কে আলোকপাত কৰে। মৃত্যু দিৱসৰ সৈতে সংগতি ৰাখি ডিফুৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত  হয়। ইয়াৰ পূৰ্বে সমুহীয়া প্ৰাৰ্থনা সভা আয়োজন কৰা হয়। উল্লেখযোগ্য  যে কাৰ্বি জনগোষ্ঠীৰ ভিতৰত স্নাতক ডিগ্ৰী লাভ কৰা প্ৰথমগৰাকী লোক হিচাপে তেওঁ ১৯৩৪ চনত বিদ্যালয় পৰিদৰ্শক হিচাপে কৰ্মজীৱনৰ পাতনি মেলিছিল যদিও ১৯৪৬ চনত তেওঁ পদৰ পৰা ইস্তফা দিয়ে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কাৰ্বি জনগোষ্ঠীৰ আধুনিক খনিকৰ, মহান কাৰ্বিনেতা, জননায়ক চেমচন সিং ইংতিয়ে অসমৰ অন্যতম প্ৰাচীন জনগোষ্ঠীটোৰ সামগ্ৰিক উত্তৰণ আৰু সংস্কাৰ সাধনৰ অৰ্থে উল্লেখযোগ্য অৰিহণা আগবঢ়াই থৈ গৈছে বুলি উল্লে্খ কৰি নেতাগৰাকীৰ পূণ্যতিথিত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ৭ গৰাকী কৰ্মচাৰীয়ে আজি চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। তেওঁলোক হৈছে- বাতৰি বিভাগৰ জ্যেষ্ঠ আশুলিপিকাৰক অশোক কুমাৰ বায়ন, কেন্দ্ৰৰ মুখ্য কাৰ্যালয় সহায়ক নাৰায়ণ চন্দ্ৰ দেৱনাথ, অভিযান্ত্ৰিক সহায়ক মনোৰঞ্জন দেৱশৰ্মা, জাৰিকাৰক প্ৰফুল্ল চন্দ্ৰ শীল, বহুমুখী সহায়ক অনুপম দাস, সুৰক্ষা কৰ্মী ধনেশ্বৰ বৰ্মন আৰু কেণ্টিন কৰ্মী ভূপেন কাকতি।

আজি আবেলি আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ সমূহ বিষয়া কৰ্মচাৰীয়ে শ্ৰীঅশোক কুমাৰ বায়নক আন্তৰিকভাৱে বিদায় সম্ভাষণ জনায়। আন এটা অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীসকলে এই সাতগৰাকী কৰ্মচাৰীক আন্তৰিকভাৱে বিদায় সম্ভাষণ জনায়।

০০০০

ৰাজ্যখনৰ সংবাদ জগতত এটা পৰিচিত নাম - নিতুমনি শইকীয়া। উত্তৰ অসমৰ এখন সৰু চহৰৰ পৰা অহা এজন তীক্ষ্ণধী যুৱক এদিন আকাশবাণী গুৱাহাটী কেন্দ্ৰলৈ আহি প্ৰচাৰ মাধ্যমৰ সৈতে কিদৰে জড়িত হৈছিল আৰু পৰৱৰ্ত্তী কালত কিদৰে ৰাজ্যৰ টেলিভিছন সংবাদ মাধ্যমত নিজৰ পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হৈছিল সেই বিষয়ে তেওঁৰ নিজৰ মুখেৰেই শুনিবলৈ পাব কাইলৈ নিশা ৮ বাজি ২ মিনিটত আমাৰ দৃষ্টিপাত অনুষ্ঠানত। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু সাক্ষাৎ গ্ৰহণ ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা দেওবাৰে শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ ত্ৰিমুৰ্তি ভৱনত **দেশৰ কথা দেশৰ গান** শীৰ্ষক এটা  বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত চাইবাৰ অপৰাধ সম্পৰ্কত বক্তৃতা প্ৰদান কৰিব উপ-আৰক্ষী অধীক্ষক পিংকি দাসে। ইয়াৰ পাছতেই জ্যেষ্ঠ সংগীত শিল্পী জে পি দাস আৰু দুৰ্গাময়ী বৰাই গীত পৰিবেশন কৰিব। সন্ধিয়া ৬ বাজি ৫ মিনিটৰ পৰা নিশা ৮ বজালৈ এই অনুষ্ঠান কেন্দ্ৰৰ মহাবাহু শাখা আৰু ইয়াৰ ফে'চবুক পেজত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ মাজতে ৬ বাজি ৪৫ মিনিটত সন্ধিয়াৰ আঞ্চলিক বাতৰি আৰু ৭ বাজি ১০ মিনিটৰ বাতৰি প্ৰচাৰিত হ'ব। দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকাৰ প্ৰচাৰ অৱশ্যে বন্ধ থাকিব।

০০০০

কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ে আজি ১৫ গৰাকী শিক্ষক-কৰ্মচাৰীক তেওঁলোকৰ অৱসৰ লোৱা দিনটোতে পেন্সন সম্পৰ্কীয় নিৰ্দেশনা পত্ৰসমূহ প্ৰদান কৰে। কাহিলীপাৰাৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত আজি কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক দিপীকা চৌধুৰীয়ে প্ৰধান শিক্ষক, সহকাৰী শিক্ষক, কাৰ্যালয় সহায়ক আৰু চতুৰ্থবৰ্গৰ মুঠ ১৫ গৰাকী কৰ্মচাৰীক এই নিৰ্দেশনা পত্ৰসমূহ প্ৰেৰণ কৰে। পৰিদৰ্শকগৰাকীয়ে দুমাহ পূৰ্বেই সংশ্লিষ্ট শিক্ষক-কৰ্মচাৰীসকলৰ তথ্যসমূহ জমা দিবলৈ বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলক নিৰ্দেশ দিছিল।

০০০০

আই চি চি চেম্পিয়নছ ট্ৰফীৰ ক্ৰিকেট প্ৰতিযোগিতাৰ লাহোৰত অনুষ্ঠিত গ্ৰুপ বিৰ এখন খেলত আজি আফগানিস্তানে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ২৭৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২৭৩ ৰান সংগ্ৰহ কৰে। আফগানিস্তানৰ হৈ ছেদিকুল্লা অটলে সৰ্বাধিক ৮৫ ৰান কৰে। অষ্ট্ৰেলিয়াৰ দ্বাৰছুইছে তিনিটা উইকেট দখল কৰাৰ লগতে জনছন আৰু জাম্পাই দুটাকৈ উইকেট দখল কৰে। অষ্ট্ৰেলিয়াই আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ৩ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ  ২৮ ৰান কৰি খেলি আছে।

০০০০

সমাপ্ত